যেতিয়া তোমালোকে আজান শুনিবা, তেতিয়া সেইদৰেই ক'বা যিদৰে মুআজ্জিনে কয়।

আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ দ্বাৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যেতিয়া তোমালোকে আজান শুনিবা, তেতিয়া সেইদৰেই ক'বা যিদৰে মুআজ্জিনে কয়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

উক্ত হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আজানৰ উত্তৰ দিবলৈ উৎসাহিত কৰিছে। আজানত মুআজ্জিনে যিদৰে কয় ঠিক সেইদৰে প্ৰতিটো বাক্যৰ এটা এটাকৈ উত্তৰ দিবলৈ কৈছে। যেতিয়া তেওঁ তাকবীৰ দিয়ে (অৰ্থাৎ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ বুলি কয়), ইয়াৰ পিছত আমিও তাকবীৰ দিব লাগে। এইদৰে যেতিয়া তেওঁ শ্বাহাদাতাইন উচ্চাৰণ কৰে (অৰ্থাৎ আশ্বহাদু আল লা ইলাহা ইল্লাল্লাহ আৰু আশ্বহাদু আন্না মুহাম্মাদাৰ ৰাছূলুল্লাহ কয়) তেতিয়া আমিও সেইদৰেই ক'ব লাগে। কেৱল "হাই আলাচ্ছালাহ" আৰু "হাই আলাল ফালাহ"ৰ বাহিৰে, কাৰণ ইয়াৰ পিছত, "লা হাওলা অলা কুওৱাতা ইল্লা বিল্লাহ" বুলি ক'ব লাগে।

https://sunnah.global/hadeeth/as/show/3013